অধ্যায় ১১ ঃ সংস্কৃতি আৰু যোগাযোগ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ যোগাযোগ
১১.৪ সংস্কৃতি
১১.৫ মিশ্ৰ-সাংস্কৃতিক যোগাযোগ আৰু আন্তঃসাংস্কৃতিক যোগাযোগ
১১.৬ গাঁথনিমূলক সাংস্কৃতিক বৈশিষ্ট্য
১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৮ অধিক জানিবলৈ
১১.৯ অগ্ৰগতিৰ খতিয়ান
১১.১০ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'যোগাযোগ'ৰ অৰ্থ অনুধাৱন কৰিবলৈ সমৰ্থ হ'ব
- 'সংস্কৃতি' কি সেই সম্পৰ্কে জানিব পাৰিব
- মিশ্ৰ-সাংস্কৃতিক আৰু আন্তঃসাংস্কৃতিক যোগাযোগৰ অৰ্থ বুজিবলৈ সক্ষম হ'ব
- অধ্যায়নমূলক বা গাঁথনিমূলক সাংস্কৃতিক বৈশিষ্ট্যসমূহ শিকিবলৈ।

১১.২ পৰিচয়

'সংস্কৃতি' আৰু 'যোগাযোগ' ধাৰণাটো পূৰ্বৰে পৰা প্ৰত্যাৱৰ্তিতভাৱে মানৱ প্ৰজাতিৰ সৈতে নিবিড়ভাৱে জড়িত ধাৰণা হিচাপে বৰ্ণিত আৰু পুনৰ্বৰ্ণিত হৈ আহিছে। যদিও দুয়োটা ধাৰণা বেলেগ বেলেগ তথা স্বতন্ত্ৰ, তথাপি ইটো-সিটোৰ সহায়তহে ধাৰণা দুটা সম্পৰ্কে সূক্ষ্মভাৱে বোধগম্য হ'ব পৰা যায়। এই অধ্যায়টিত আমি ধাৰণা দুটাৰ অৰ্থ বুজ লোৱাৰ উপৰিও ইয়াৰ অন্তৰ্নিমিত বিষয়বস্তু সম্পৰ্কে এক পৰ্যালোচনা কৰাৰ চেষ্টা কৰিম।

১১.৩ যোগাযোগ (Communication)

'যোগাযোগ' শব্দটো লেটিন ভাষাৰ 'Communis' শব্দৰ পৰা উৎপত্তি হোৱা, যাৰ অৰ্থ হৈছে 'উমহৈতীয়া' (Common)। যোগাযোগ বুলিলে আমি সাধাৰণতে নতুন ধাৰণা আৰু

চিন্তা-চর্চাৰ আদান-প্রদানকে বুজো। যোগাযোগ আৰু পৰিয়ালৰ মাজৰ যি যোগসূত্র সেয়া পৰিয়ালৰ সদস্যসকলৰ সামাজিক ভাব-বিনিময়ৰ জৰিয়তে সৃষ্টি হয়। ইজনে-সিজনৰ সৈতে হোৱা যোগাযোগৰ দ্বাৰা সমাজৰ সদস্যসকলে এজনে আনজনৰ পৰা কি আশা কৰা উচিত আৰু কি অনুচিত সেয়া শিকিবলৈ ধৰে। সম্পর্কবোৰে কেনেকৈ ক্রিয়া কৰে আৰু নিজৰ মাজতে কেনেকৈ ব্যৱহাৰ কৰিব লাগে সেয়া সিহঁতে শিকে। যোগাযোগৰ জৰিয়তেই মানুহে কেনেকৈ সামাজিকভাৱে ভাৰ বিনিময় কৰিব লাগে আৰু সামাজিক সম্পর্কবোৰ তৈয়াৰ কৰিব লাগে সেয়া শিকে। গতিকে, যোগাযোগ হৈছে এনেকুৱা এক পথ য'ত মৌখিক আৰু অ-মৌখিক বার্তাসমূহ সমাজৰ সদস্যসকলৰ মাজত আদান-প্রাদান কৰা হয়।

যোগাযোগ, সমাজৰ উত্থান তথা জন্মৰ সৈতেই উত্থান হোৱা আৰু আগবঢ়া। এইটো এটা প্রক্রিয়া য'ত মানুহৰ যোগাযোগমূলক সম্ভাৱনাসমূহ জড়িত হৈ থাকে। ই পৰস্পৰৰ ওপৰত ক্রিয়াশীল। গতিকে যোগাযোগ বিভিন্ন ধৰণৰ — ই মৌখিক আৰু অ-মৌখিক হ'ব পাৰে। ই প্রত্যক্ষ বা পৰোক্ষ হ'ব পাৰে, মুখামুখি বা বিভিন্ন মাধ্যম যেনে- টেলিফোন, ই-মেইল, এচ এম এচ, ছচিয়েল মিডিয়া আদিৰ দ্বাৰা হ'ব পাৰে। প্রত্যক্ষ যোগাযোগ তেতিয়া হয় যেতিয়া মানুহে যিটো বুজাব বিচাৰে সেইটো পোনপটীয়াভাৱে ব্যক্ত কৰে; কিন্তু যেতিয়াই অর্থটো কেৱল শব্দকেইটাৰ ভিতৰতে সীমাবদ্ধ নাথাকি কথোপকথনৰ সমগ্র পৰিৱেশটো সাঙুৰি লয় তেতিয়া ই হ'ব পৰোক্ষ যোগাযোগ।

যোগাযোগ সাংস্কৃতিক মূলৰ আৰু ই সংস্কৃতি অনুযায়ী ভিন্ন হ'ব পাৰে। ভাষা আৰু সংকেত যোগাযোগৰ এক এৰাব নোৱাৰা উপাদান আৰু ই সাংস্কৃতিকভাৱেও নিৰূপতি। কিন্তু যোগাযোগৰ এনে কিছুমান প্রতীক তথা সংকেত আছে যিসমূহ প্রকৃততে বিশ্বজনীন, উদাহৰণ স্বৰূপে — ট্রাফিক সংকেত (Traffic Signals)। এজন ব্যক্তিয়ে যেতিয়া তেওঁ তাইৰ সম্প্রদায়ৰ বাহিৰত কথোপকথন কৰে, তেতিয়া তেওঁ বুজিবলৈ আৰম্ভ কৰিব যে, যোগাযোগৰ বিভিন্ন ধৰণৰ পথ থাকিব পাৰে।

এই অধ্যায়টিত আমি মিশ্র সাংস্কৃতিক (Cross-Cultural) আৰু আন্তঃসাংস্কৃতিক (Inter-Cultural) যোগাযোগৰ বিষয়ে কথা পাতিম। কিন্তু সেইটোকে কৰিবলৈ যাওতে, আমি পোনপ্রথমে সংস্কৃতি (Culture) নো কি, এই সম্পর্কে জানি ল'ব লাগিব। সংস্কৃতি, যোগাযোগৰ মূল তথা মৌলিক উপাদান। ই কেৱল কোনে, কাক কৈছে সেয়া বুজোৱাৰ উপৰিও কেতিয়া, কিয় আৰু কেনেকৈ, সেই সম্পর্কে ব্যাখ্যা কৰে।

১১.৪ সংস্কৃতি

যিটো সময়ত প্রকৃতিক জৈৱিক তথা জীৱবিজ্ঞানমূলক হিচাপে চোৱা যা, তেনে সময়ত সংস্কৃতিক সামাজিক হিচাপেহে বিবেচনা কৰা হয়। ই মানৱ-নির্মিত আৰু তেওঁলোকৰ চিন্তা তথা কার্যাপ্রণালী হৈ এক নির্দিষ্ট প্রক্রিয়াৰে আকাৰ দি লয়। ইয়াত মূল হৈছে লিটিন শব্দ Colere যাৰ অর্থ হৈছে নির্মাণ কৰা (to build), সু-সভ্য কৰা/চর্চা কৰা (to cultivate) আৰু

পোষণ কৰা (to foster)। সংস্কৃতি হৈছে নির্মিত। আনহাতে প্রকৃতি হৈছে স্বাভাৱিক তথা প্রকৃতিগত। ইয়াক মানুহৰ মন তথা চিন্তা আৰু অভ্যাসৰ মাজত উপস্থাপন কৰা হয়। সংস্কৃতি হৈছে বাস্তৱ নির্মাণ কৰাৰ এক সু-সংবদ্ধ প্রক্রিয়া যি মানুহে দলীয় তথা সংঘবদ্ধভাৱে জীয়াই থাকি আহৰণ কৰে। ইয়াক এক দলৰ 'সামগ্রী' আৰু এক বিস্তৃত বাস্তৱ হিচাপেও বিবেচনা কৰা হয়।

সংস্কৃতিক জীৱনৰ এক পথ হিচাপে বিবেচনা কৰা হয়। সংস্কৃতিয়ে জীৱনৰ সার্বিক ৰূপটো সাঙুৰি লয়, ই খাদ্য, সংগীত, নৃত্য, কলা, স্থাপত্য, ঐতিহ্য, পোছাক, সাহিত্য আদিৰ পৰা দৈনন্দিন সকলো কার্যকলাপলৈকে সকলোখিনিয়েই সাঙুৰি লয়। সংস্কৃতিয়ে এটা সম্প্রদায়ৰ সদস্যসকলক আন এটাৰ পৰা পৃথক কৰি ৰাখে। ই এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ পৰিৱর্তিত হৈ থাকে। সংস্কৃতিৰ এটা মূল বৈশিষ্ট্য হৈছে ইয়াৰ সদস্যসকলে কৰা তথ্যৰ ব্যাখ্যাৰ প্রক্রিয়া তথা পথ তাৰ সাদৃশ্যতা। ব্যক্তিগতভাৱে যিজনে একেই সংস্কৃতি পোষণ কৰে তেওঁৰো এক নির্দিষ্ট মানসিক পৃথিৱী থাকে যিয়ে যোগাযোগ প্রক্রিয়াক সুগম কৰি তোলে। মানৱ প্রজাতিৰ শান্তিপূর্ণ বসতিৰ বাবে সংস্কৃতি এক পূর্বচর্ত তথা প্রয়োজনীয় প্রক্রিয়া। মানবীয় সংস্কৃতি সূক্ষ্মভাৱে অনুধাৱন নকৰাকৈ মানৱ সমাজ সম্পর্কে বুজ লোৱাটো অসম্ভৱ। সংস্কৃতিয়ে মানুহক অন্য প্রজাতিৰ পৰা পৃথক কৰি ৰাখিছে।

সাংস্কৃতিক বৈশিষ্ট্যসমূহ নিজেই বিভিন্ন ক্ষেত্রত ধৰা দিয়ে, যেনে— প্রতীক, বীৰসকল, ধর্মীয় কাম-কাজ আৰু বিভিন্ন মূল্যসমূহ। ইয়াক সাধাৰণতে জীৱনৰ সকলোবোৰ ক্রিয়াকলাপকে বুজাবলৈ ব্যৱহাৰ কৰা হয়, ই বিশ্ব সামাজিকেই হওক বা শাৰীৰিক, বাহ্যিক বা অভ্যন্তৰীণ। ই স্পর্শনীয় আৰু অ-স্পর্শনীয় দুয়োবিধ বস্তুৰ দ্বাৰাই তৈয়াৰী। স্পর্শনীয় বস্তু বুলিলে প্রাকৃতিক তথা ভৌতিক উপাদানসমূহকে বুজোৱা হয় যেনে- বস্ত্র, খাদ্য, পকীঘৰ ইত্যাদি। আনহাতে অ-স্পর্শনীয় বস্তুৱে সামৰি লয় যেনে- মূল্য, নীতি-নিয়ম, পৰস্পৰা ইত্যাদি। সাংস্কৃতিক বিৱর্তন তথা সংস্কৃতিৰ জয়যাত্রাকে সভ্যতা বুলি জনা যায়, যিটো হৈছে, জ্ঞান, দক্ষতা, মান, মূল্য তথা মানদণ্ড বিকাশ আৰু যিসমূহ সা-সৰঞ্জাম, অনুষ্ঠান আৰু প্রধানকৈ মানবীয়, সামাজিক ব্যৱহাৰ সৃষ্টিৰ ক্ষেত্রত ব্যৱহৃত হয়। সংস্কৃতিৰ যি বিকাশ সেয়া এলানি উদ্ভাৱনৰ বা নব্য-সৃষ্টিৰ জৰিয়তেহে সংঘটিত হয়। নব্য সৃষ্টি তথা উদ্ভাৱনসমূহ আন্তঃযোগাযোগৰ জৰিয়তেহে এটা সংস্কৃতিৰ পৰা আন এটা সংস্কৃতিলৈ বিয়পি পৰে।

গতিকে, আমি ক'ব পাৰো যে সংস্কৃতি হৈছে —

- সামাজিক বিনিময়ৰ ফলশ্রুতি
- ঐতিহাসিক।
- এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ পৰিৱর্তনকামী।
- প্রকৃতিৰ পৰা পৃথক।
- এটা সমূহীয়া সামগ্রী।
- বস্তুবাদী আৰু অ-বস্তুবাদী।

প্ৰাথমিক সাংস্কৃতিক যাত্ৰা তথা পৰিসৰসমূহ হ'ল —

- চিন্তাৰ মাত্ৰা তথা গঠন।
- আচৰণৰ গাঁথনি।
- হস্তশিল্পৰ মাত্ৰা/ভাগ।
- প্ৰকৃতিৰ সাঁচ।

১১.৫ মিশ্ৰ-সাংস্কৃতিক যোগাযোগ আৰু আন্তঃসাংস্কৃতিক যোগাযোগ

মিশ্ৰ-সাংস্কৃতিক যোগাযোগ আৰু আন্তঃ সাংস্কৃতিক যোগাযোগ অভিধাটো ইটো সিটোৰ সমাৰ্থক হিচাপে ব্যৱহাৰ কৰিব পাৰি। সিহঁতে বিভিন্ন সাংস্কৃতিক ক্ষেত্ৰৰ মানুহৰ মাজত যোগাযোগ সৃষ্টি কৰিব পৰা সক্ষমতাকে বুজায়। ই এক আন্তঃব্যক্তিগত যোগাযোগ আৰু সংস্কৃতিৰ মাজেৰে এক বিনিময়। ইয়াকে কৰিবলৈ যাওতে ভাষিক দক্ষতা, নিজৰ চিনাকীত সাংস্কৃতিক প্ৰভাৱ সম্পৰ্কে বোধগম্য হোৱা আৰু বিভিন্ন অজ্ঞাত সংস্কৃতি উপযোগী কৰি লোৱাটো অতি প্ৰয়োজন। ফলপ্ৰসু মিশ্ৰ সাংস্কৃতিক যোগাযোগ লঘু সাংস্কৃতিক বৈষম্যৰ সৈতে সংশ্লিষ্ট হৈ থাকে জাতীয়তাবাদ, ধৰ্ম, জাতিভুক্ত, সীমা, সংস্কৃতি আৰু আচৰণৰ মাজেৰে। যেতিয়া সংস্কৃতি অনুমোদিত হয় আৰু সম্প্ৰদায়সমূহে আন্তঃব্যক্তিগত সম্পৰ্ক আৰম্ভ কৰে, ই কেৱল আন্তঃ সাংস্কৃতিক যোগাযোগৰ বাবেহে অনুমতি দিয়ে। ই বিভিন্ন সাংস্কৃতিক ক্ষেত্ৰত মানুহে কেনেকৈ যোগাযোগ কৰিবলৈ চেষ্টা কৰে সেয়া লক্ষ্য কৰে।

মিশ্ৰ সাংস্কৃতিক যোগাযোগ হৈছে এক বিষয় যিয়ে সমাজশাস্ত্ৰ নৃতত্ত্ববিজ্ঞান, সংস্কৃতি, অধ্যয়ন; মিডিয় অধ্যয়ন; মনোবিজ্ঞান আৰু ভাষাবিজ্ঞান অধ্যয়ন কৰে; যিদৰে এইসমূহ বিষয়েও মানৱ প্ৰজাতিক তেওঁলোকৰ এক বিষয়বস্তু হিচাপে ব্যাখ্যা কৰে। যোগাযোগৰ প্ৰতি যি ইচ্ছা সি প্ৰাকৃতিক আৰু বৰ্তমানৰ সমাজত ই অতি প্ৰয়োজনীয় হৈ পৰিছে। [ ] মিশ্ৰ-সাংস্কৃতিক (Cross-cultural) অভিধাটো সংস্কৃতি এক তুলনামূলক অধ্যয়ন সম্পৰ্কে বৰ্ণনা কৰিবলৈ ব্যৱহাৰ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ (ক)

প্ৰশ্ন নং ১ ঃ মিশ্ৰ-সাংস্কৃতিক যোগাযোগ এটা আন্তঃবিষয়ক (inter-disciplinary) বিষয় নেকি?

.....

প্ৰশ্ন নং ২ ঃ কেনেকৈ উদ্ভাৱন এটা সংস্কৃতিৰ পৰা আন এটা সংস্কৃতিলৈ বিয়পে?

.....

মিশ্ৰ-সাংস্কৃতিক যোগাযোগৰ বাবে প্ৰয়োজনীয় কিছুমান দক্ষতা হ'ল—

- কথন আৰু ভাষাৰ দক্ষতা— ধনাত্মক কথন বা বচন যেনে- উৎসাহ যোগোৱা, আশ্বাস, দৃঢ়তাৰে কথা কোৱা, আৰু স্বীকৃতি।
- শিষ্টাচাৰ আৰু ব্যৱহাৰ।
- ৰীতি-নীতি, মূল্যবোধ সম্পৰ্কে উপলব্ধি থকা।
- দৈহিক ভংগী।
- মৌখিক আৰু অ-মৌখিক ভংগী।
- স্থান আৰু কালৰ ধাৰণা।
- গুণৰ দক্ষতা — মনোযোগী শ্ৰৱণ এক জটিল প্ৰক্ৰিয়া যিয়ে অৰ্থ বুজাত সহায় কৰে, বক্তব্যটোক অনুভাৱন কৰা আৰু বক্তাজনক এটা পৃথক সাংস্কৃতিক দিশেৰে নিৰীক্ষণ কৰা।
- নিৰীক্ষণ — মানুহৰ পোছাক, দৈহিক ভংগী, কথোপকথন আৰু আচৰণে অন্য এটা সংস্কৃতিৰ ওপৰত যথেষ্ট তথ্য দিব পাৰে।
- ধৈর্য্য — কেতিয়াবা মিশ্ৰ-সাংস্কৃতিক বৈষম্যসমূহ বিৰক্তিৰ আৰু নৈৰাশ্যমূলক হৈ পৰে, গতিকে এইক্ষেত্ৰত ধৈয্য পূৰ্ব-চৰ্ত।
- নমনীয়তা, উপযোগীতা আৰু মুক্ত মন
- সাংস্কৃতিক কৰ্মদক্ষতাই আমাক এইটো বুজাত সহায় কৰে কিয় আৰু কেনেকৈ অন্যান্য সংস্কৃতিৰ পৰা অহা মানুহে তেওঁলোকে প্ৰদৰ্শন কৰা আচৰণৰ দৰে চিন্তা কৰে, তাক কাৰ্যকৰী কৰে আৰু সেই মতে কাম কৰে।
- যোগাযোগ ক্ষেত্ৰত কৰ্মদক্ষতা।
- অনুবাদ আৰু ব্যাখ্যা।

অন্য এটা সংস্কৃতি সম্পৰ্কে জনাটো উদাহৰস্বৰূপে, ইয়াত ইতিহাস সম্পৰ্কে, সামাজিক গাঁথনি, মূল্য আৰু ৰীতি-নীতিয়ে বিভিন্নধৰণে সম্ভৱ আৰু ই নিশ্চয়কৈ এজনৰ মিশ্ৰ-সাংস্কৃতিক যোগাযোগৰ দক্ষতা উন্নত কৰিব। যদি মানুহে অন্য এটা সংস্কৃতি সম্পৰ্কে শুদ্ধকৈ নাজানে তেন্তে ভূল-যোগাযোগ সংঘটিত হ'ব পাৰে।

সাংস্কৃতিক বৈষম্যসমূহৰ মৰ্ম উপলব্ধি কৰোৱাত সহায় কৰা কিছুমান নিৰূপক হ'ল —

- সাংস্কৃতি বিচিত্ৰতা সম্পৰ্কে সজাগতা।
- এজনৰ নিজৰ সংস্কৃতি সম্পৰ্কে জ্ঞান।
- অন্য সংস্কৃতি সম্পৰ্কে বুজ লোৱা।

আন্তঃসাংস্কৃতি যোগাযোগ বিভিন্ন চলক (Variable)ৰ ওপৰত নিৰ্ভৰ কৰে —

১। অন্য সম্প্ৰদায়ৰ মানুহৰ সৈতে যোগাযোগ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় সাংস্কৃতিক জ্ঞান বা সজাগতা।

২। কথোপকথনকাৰী সম্পৰ্কে সামাজিক-সাংস্কৃতিক তথ্য।

৩। প্ৰতিটো বিষয়ৰ সুকীয়া বৈশিষ্ট্যসমূহৰ লগত জড়িত মনঃসাংস্কৃতিক তথ্য।

মিশ্ৰ-সাংস্কৃতিক যোগাযোগৰ বিভিন্ন দিশ আছে। এই দিশসমূহ হৈছে—

১। মৌখিক যোগাযোগ হৈছে এজন ব্যক্তিৰ চিন্তাধাৰাক ভাষণৰ জৰিয়তে সংযোগ কৰা যিটো বিভিন্ন ধাৰণা, মতামত, নির্দেশাৱলী আদি হ'ব পাৰে।

২। লিখিত যোগাযোগ হৈছে লিখন প্ৰক্ৰিয়াৰ দ্বাৰা সংঘটিত হোৱা যোগাযোগ, যিটো বিভিন্ন বার্তা, ইমেইল, টেলিফোন আদি হ'ব পাৰে।

এই ভাগটোত আমি মিশ্ৰ-সাংস্কৃতিক যোগাযোগৰ পৰিসৰ সম্পর্কে আলোচনা কৰিলো। আমি আন্তঃসাংস্কৃতিক যোগাযোগৰ গুৰুত্ব, বিভিন্ন দিশ আৰু বিভিন্ন চলকসমূহৰ সম্পর্কে, লগতে এই যোগাযোগ সংঘটিত কৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় দক্ষতা সম্পর্কে আলোচনা কৰিলো। আন্তঃসাংস্কৃতিক যোগাযোগ বর্তমান সাংস্কৃতিক কার্যক্ষেত্ৰখনত এক গুৰুত্বপূর্ণ দক্ষতা হৈ পৰিছে। যিটো সময়ত বিভিন্ন সাংস্কৃতিক ক্ষেত্ৰৰ মানুহে একে সময়তে সাংগঠনিক ক্ষেত্ৰত কাম কৰি আছে। পৰৱর্তী উপশাখাটোত আমি নির্দিষ্ট গাঁথনিগত অনুষ্ঠানৰ সাংস্কৃতিক বৈশিষ্ট্যসমূহ লক্ষ্য কৰিম।



অগ্ৰগতি নিৰীক্ষণ (খ)

প্ৰশ্ন নং ১ ঃ যোগাযোগৰ দুটা ৰূপ চিনাক্ত কৰক।

.....

১১.৬ গাঁথনিমূলক সাংস্কৃতিক বৈশিষ্ট্য

গাঁথনিমূলক সাংস্কৃতিক উপাদানসমূহৰ কথা কওতে বিভিন্ন গাঁথনিৰ কথা আমাৰ মনলৈ আহে। আমাৰ সমাজখন নিজেই এক বৃহৎ গাঁথনি যিয়ে অনবৰতে মান প্ৰজাতিক আৱৰি থাকে। সম্প্ৰদায়, পৰিয়াল, ধর্ম, তেজৰ সম্পর্ক আৰু বিভিন্ন সংগঠন— এই সমূহো হৈছে একো-একোটা গাঁথনি যিয়ে আমাৰ বসতিক পৰিচালনা কৰি থাকে। সংস্কৃতি হৈছে বিভিন্ন সৰঞ্জাম, অনুষ্ঠান আৰু প্ৰমূল্য নির্মাণৰ এক প্ৰক্ৰিয়া। এই শাখাটোত আমি সাংস্কৃতিক মান্যতাসমূহৰ বিভিন্ন গাঁথনিসমূহৰ সম্পর্কে আলোচনা কৰিম।

১। সমাজ আৰু সংস্কৃতি

এখন সমাজক এক পাৰস্পৰিক ভূ-খণ্ডৰ সৈতে বিভিন্ন মানুহৰ সমূহ হিচাপে ব্যাখ্যা কৰা হয়, য'ত সংস্কৃতিকেই জীৱনত সার্বিক ৰূপ হিচাপে গণ্য কৰা হয়। এখন সমাজত বিভিন্ন সংস্কৃতি থাকিব পাৰে। উদাহৰণ স্বৰূপে, ভাৰতীয় সমাজ ব্যৱস্থাক নিজৰ ভৌগোলিক ভূ-খণ্ডৰ পৰিসীমাৰ ভিতৰতে বিভিন্ন সংস্কৃতি বিৰাজমান। সংস্কৃতিক অনুধাৱন নকৰাকৈ সমাজক অনুধাৱন কৰাতো অসম্ভৱ।

বেছিভাগ ক্ষেত্ৰত মানুহৰ আচৰণ তেওঁলোকৰ সাংস্কৃতিক পৰিচর্যাৰ দ্বাৰাই নির্দেশিত হৈ থাকে। ভাষাৰ মাধ্যমেৰেই মানুহে বিভিন্ন সাংস্কৃতিক পৃষ্ঠাভূমিৰ মানুহৰ সৈতে যোগাযোগ

স্থাপন কৰে। ভাষা হৈছে সমাজত এক প্ৰধান সাংস্কৃতিগত বৈশিষ্ট্য আৰু ই সাংস্কৃতিকভাৱেও নিৰ্ভৰশীল।

ভাষাৰ উপৰিও বিভিন্ন ভংগীমাসমূহ আৰু লগতে প্ৰতীকসমূহো সাংস্কৃতিক বৈশিষ্ট্যৰ ভিতৰতে পৰে যিয়ে এখন সমাজক পৰিচালনা কৰি থাকে, যিটো সময়ত কিছুমান প্ৰতীকৰ বিশ্বজনীন ৰূপ আছে। একে সময়তে কিছুমান আকৌ আপেক্ষিক। উদাহৰণ স্বৰূপে, এজন ব্যক্তিক হাত জোকাৰি সম্বোধন কৰাটোত এটা বিশ্বজনীনতা আছে। কিন্তু হাতযোৰ কৰি নমস্কাৰ দিয়াতো কেৱল ভাৰতীয় সমাজৰ হিন্দু সংস্কৃতিতহে পৰিলক্ষিত হয়। গতিকে ভাষা আৰু কথনভংগীসমূহ হৈছে সাংস্কৃতিক বৈশিষ্ট্য যিয়ে সামাজিক গাঁথনিসমূহক পৰিচালনা কৰে। যিটো সময়ত জন্তুক বিভিন্ন ভংগীমাসমূহ শিকাব পাৰি, কিন্তু সিহঁতক ভাষা শিকাব নোৱাৰি। গতিকে মৌখিক ভাষা হৈছে সংস্কৃতিৰ প্ৰাথমিক বিষয়বস্তু। তেতিয়াহে আন্তঃসাংস্কৃতিক যোগাযোগ আন্তঃমৌখিক আৰু আন্তঃভাষিক যোগাযোগৰ মাজেৰে বিকাশ লাভ কৰিব পাৰিব।

২। সম্প্ৰদায় আৰু সংস্কৃতি

সম্প্ৰদায় হৈছে সমাজ এখনতকৈ সৰু এটা মানুহৰ সমূহ, কিন্তু ই সেইখিনি নিৰ্দিষ্ট মানুহৰ সমূহ যিয়ে একেই ভূ-খণ্ডত বাস কৰে। এখন সমাজত, বিভিন্ন সম্প্ৰদায়ে একেলগে বসবাস কৰিলেও তেওঁলোকৰ সংস্কৃতি বিভিন্ন ধৰণৰ হ'ব পাৰে। এখন সমাজৰ গণ্ডীৰ ভিতৰত ভাষা আৰু প্ৰতীক তথা বিভিন্ন ভংগীসমূহে বিভিন্ন সম্প্ৰদায়ক বিভিন্ন সংস্কৃতিৰ সৈতে ভাবত বিনিময় কৰাত সমৰ্থ কৰি তোলে। গতিকে সংস্কৃতি আচৰণৰে এক চানেকি যি সামাজিকভাৱে আহৰিত আৰু প্ৰতীকৰ দ্বাৰা পৰিবাহিত।

৩। পৰিয়াল আৰু সংস্কৃতি

পৰিয়াল এক এনে ধৰণৰ অনুষ্ঠান যিটোৱে এটা সম্প্ৰদায় আৰু সমাজক একেলগে বান্ধি ৰাখে। ই সামাজিকীকৰণৰ এক প্ৰধান শাখা আৰু সংস্কৃতিৰ এক ৰূপান্তৰক। পৰিয়ালৰ বিভিন্ন সাংস্কৃতিক বৈশিষ্ট্য আছে। উদাহৰণ স্বৰূপে, বিশেষকৈ উন্নয়নশীল ৰাষ্ট্ৰসমূহত, যৌথ বা ডাঙৰ পৰিয়াল এটা সততে দৃষ্টিগোচৰ হোৱা এক ৰূপ। পৰিয়ালেই পিতৃ-মাতৃৰ পৰা সতি-সন্তানলৈ ভাষা, ধৰ্ম আৰু সংস্কৃতি ৰূপান্তৰিত কৰে।

৪। ধৰ্ম আৰু সংস্কৃতি

ধৰ্ম হৈছে সামাজিক গাঁথনিত এক প্ৰধান উপাদান যাক সন্মিলিত আৰু বিভেদকামী দুয়োটা শক্তি হিচাপে বিবেচনা কৰা হয়। আধুনিকতাৰ কবলত পৰি ধৰ্মৰ গুৰুত্ব কমি আহিছে বুলি বহুতে মত পোষণ কৰিব খোজে যদিও ই প্ৰকৃততে সত্য নহয়। আধুনিক সমাজ ব্যৱস্থাত ধৰ্ম বৰ্তমানেও যথেষ্ট প্ৰাসংগিক, যেনে, ছৌদি আৰব, পাকিস্তান, ভাৰতবৰ্ষ ইত্যাদি। তদুপৰি ধৰ্ম বিশ্বজনীন নহয়, কিন্তু ই সাংস্কৃতিকভাৱে আপেক্ষিক। উদাহৰণ স্বৰূপে, ভাৰতবৰ্ষত, বাস কৰা মুছলমানসকলৰ ভাৰততে বাস কৰা অন্যান্য ধৰ্মাৱলম্বী লোকৰ আচাৰ-আচৰণ, আদব-কায়দাৰ লগত প্ৰায় একেই। কিন্তু পৃথিৱীৰ অন্য প্ৰান্তত বাস কৰা মুছলমানসকলৰ। এই ক্ষেত্ৰত বৈসাদৃশ্য দেখিবলৈ পোৱা যায়। গতিকে ধৰ্মও সাংস্কৃতিকভাৱে নিৰ্ণয় কৰিব পাৰি।

৫। তেজৰ সম্পৰ্ক (স্বজনতা) আৰু সংস্কৃতি

পৰিয়ালৰ লেখিয়াকৈ তেজৰ সম্পৰ্কবোৰো এজনৰ সাংস্কৃতিক পটভূমিৰ ওপৰত নিৰ্ভৰশীল হৈ থাকে। তেজৰ সম্পৰ্ক এক বিশ্লেষণাত্মক ভাগ যিয়ে জৈৱিক সংযোগৰ ওপৰত আধাৰিত আৰু যৌন সম্পৰ্ক আৰু জন্মসূত্ৰে সৃষ্টি হোৱা সম্পৰ্কসমূহক সাঙুৰি লয়। বিবাহ হৈছে তেজৰ সম্পৰ্কৰ কেন্দ্ৰীয় অনুষ্ঠান আৰু ইয়ো সাংস্কৃতিকভাৱে নিৰ্ভৰশীল। উদাহৰণ স্বৰূপে, যিটো সময়ত ভাৰতীয় আৰু পাকিস্তানী সমাজত পিতৃ-মাতৃ বা অভিভাৱকে নিজৰ পুত্ৰ বা কন্যাৰ বাবে উপযুক্ত পাত্ৰী বা পত্ৰ চাই পাতি দিয়া বিবাহ (arranged marriage) পদ্ধতিকো দম্পতিৰ বাবে গ্ৰহণযোগ্য ব্যৱস্থা হিচাপে গণ্য কৰা হয়। পশ্চিমীয়া সমাজ ব্যৱস্থাত এই ব্যৱস্থা যথেষ্ট বিৰল। গতিকে যদিও তেজৰ সম্পৰ্ক জৈৱিক হিচাপে ধৰা হয়, একে সময়তে ই সাংস্কৃতিকভাৱেও বদ্ধ।

৬। সংগঠন আৰু সংস্কৃতি

সংগঠনসমূহ সমাজৰ এক গুৰুত্বপূৰ্ণ ভাগ আৰু বৰ্তমানৰ সমাজ ব্যৱস্থাত মানৱ প্ৰজাতিৰ ওপৰত সাংগঠনিক সংস্কৃতিৰ যথেষ্ট প্ৰভাৱ পৰিলক্ষিত হয়। সংগঠনসমূহ বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে, যেনে- বিদ্যালয়, মহাবিদ্যালয়, অফিচ-কাছাৰী ইত্যাদি। সাংগঠনিক সংস্কৃতি, আনুষ্ঠানিক আৰু অনানুষ্ঠানিক ব্যৱস্থা, বিভিন্ন প্ৰক্ৰিয়া আৰু কথোপকথনৰ এক জটিল সংমিশ্ৰণ। ই নেতৃত্ব, গাঁথনি, বিভিন্ন নীতি, পুৰস্কাৰ ব্যৱস্থা আৰু বিভিন্ন নীতি-নিয়মেৰে গঠিত। ই আচৰণৰ এটা ভাগ সৃষ্টি কৰে যিয়ে সংগঠনটোত এজনৰ কাৰ্যাৱলী নিৰ্দেশ কৰি থাকে। সাংগঠনিক সংস্কৃতি হৈছে অন্তৰ্নিহিত বিশ্বাস, আসক্তি, প্ৰমূল্য আৰু ভাব-বিনিময়ৰ এক পথ সংগঠনৰ সামাজিক আৰু মানসিক পৰিৱেসলৈ অৱিহণা যোগায়।

বিভিন্ন ধৰণৰ সংস্কৃতিয়ে বিভিন্ন প্ৰকাৰে সংগঠনক প্ৰভাৱিত কৰে। উদাহৰণ স্বৰূপে, বিশেষকৈ ভাৰতবৰ্ষত, চৰকাৰী, কৰ্পৰেট আৰু বে-চৰকাৰী সংগঠনসমূহৰ বেলেগ বেলেগ কৰ্ম-সংস্কৃতি আৰু নীতি ব্যৱস্থা আছে। এক দৃঢ় সাংগঠনিক সংস্কৃতি ইয়াত পৰিৱেশন তথা মূল্যায়নৰ সৈতে সংযোজিত হৈ থাকে। কৰ্মচাৰীসকলে নিজৰ কৰ্মক্ষেত্ৰত কেনেকৈ ভাবৰ আদান-প্ৰদান কৰিব সেয়াও সাংগঠনিক সংস্কৃতিয়ে সিদ্ধান্ত লয়। ই সংগঠনৰ সেইবিধ সংস্কৃতি যিয়ে কৰ্মচাৰীসকলক এক উমৈহতীয়া পৰ্যায়লৈ লৈ আনি তাৰ পৰা আটাইতকৈ উপযুক্তজনক চিনাক্ত কৰে।

গাঁথনি আৰু সংস্কৃতিৰ মাজত যি সম্পৰ্ক সেয়া নিৰীক্ষণ কৰাৰ পিছত, সেই সম্পৰ্ক কেনেকৈ সৃষ্টি হয় সেই সম্পৰ্কে আমি এতিয়া আলোচনা কৰিম। ই এক ধৰণৰ যোগাযোগ যিয়ে গাঁথনি আৰু সংস্কৃতিৰ ভাগসমূহক একগোট কৰে। এই যোগাযোগ নেতৃত্ব আৰু ব্যক্তিগত পৰ্যায়ত সংঘটিত হয়—

এই শাখাটিৰ শেষত এইটো ক'ব পাৰি যে সৰহ ভাগ গাঁথনিৰ ক্ষেত্ৰত প্ৰত্যক্ষ কৰা গাঁথনি ভিত্তিক সাংস্কৃতিক বৈশিষ্ট্যসমূহ এনে ধৰণৰ —

- ভাষা।
- প্ৰতীক, চিহ্ন আৰু ভংগিমা।

- সাংস্কৃতিক আপেক্ষিকতা।
- সকলো সদস্যকে এখন উমৈহতীয়া মঞ্চলৈ লৈ অনা।



১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- যোগাযোগ হৈছে অনুভৱ আৰু ধাৰণাসমূহ পাৰস্পৰিকভাৱে ভগাই লোৱা এক প্ৰক্ৰিয়া। যোগাযোগ সাংস্কৃতীয় মূলৰ আৰু ই এটা সংস্কৃতিৰ পৰা আন এটা সংস্কৃতিৰ ক্ষেত্ৰত বেলেগ বেলেগ হয়। ভাষা আৰু ভংগীমা যোগাযোগৰ এক এৰাব নোৱাৰা উপাদান আৰু ই সাংস্কৃতিকভাৱে বিশ্লেষিত।
- যোগাযোগৰ কিছুমান নিৰ্দিষ্ট প্ৰতীক আৰু চিহ্ন আছে — যিসমূহ বিশ্বজনীন, যেনে-ট্ৰেফিক সংকেত। এজন ব্যক্তিয়ে তেওঁ/তাইৰ সম্প্ৰদায়ৰ বাহিৰত ভাবৰ বিনিময় কৰিলে অনুভৱ কৰে যে তাতো যোগাযোগৰ এক পৃথক মাধ্যম আছে।
- সংস্কৃতিক জীৱনৰ এক সাৰ্বিক ৰূপ হিচাপে গণ্য কৰা হয় যিয়ে আহাৰ, সংগীত, নৃত্য, কলা, স্থাপত্য, ঐতিহ্য, পোছাক, সাহিত্য আদিৰ নাম দৈনন্দিন ক্ৰিয়াকলাপ সকলোকে সামৰি লয়। সংস্কৃতিয়ে এটা বিশেষ সম্প্ৰদায়ৰ সদস্যসকলক অন্য এটা সম্প্ৰদায়ৰ পৰা বৈশিষ্ট্যপূৰ্ণভাৱে পৃথক কৰে।
- মিশ্ৰ-সাংস্কৃতিক যোগাযোগ আৰু আন্তঃসাংস্কৃতিক যোগাযোগ অভিধা দুটা ইটো-সিটোৰ সমাৰ্থক হিচাপে ব্যৱহাৰ কৰিব পাৰি। সিহঁতে মানুহ আৰু বিভিন্ন সাংস্কৃতিক পটভূমিৰ মাজত যি যোগাযোগৰ সামৰ্থ্য তাকে সূচায়।
- মিশ্ৰ-সাংস্কৃতিক যোগাযোগত দুটা বা ততোধিক সংস্কৃতিৰ মাজত যোগাযোগৰ প্ৰেৰণা আৰু গ্ৰহণ প্ৰক্ৰিয়া সম্পন্ন হয়। মিশ্ৰ-সাংস্কৃতিক যোগাযোগে এক বিশেষ দক্ষতা বিচাৰে আৰু ই বিভিন্ন চলকৰ ওপৰত নিৰ্ভৰশীল হৈ থাকে।



১১.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Ardichvili, Alexandra, Janes A. Mitehell and Douglas Jondle 2009. (Journal of Business Ethics) 85(4) : 445-451, Sprivger.
2. Ellweed Charles. 1944 Culture and Human Society Social Forces. 23 (I); 6-15, Oxford Universty Press.
3. Garcik-Carbonell, A. S Rising B 2006. Cutlure and communication.

Georgia : Callege of Management, Geougra Justitute of Technology, Atlanta, Geougra.



১১.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

ক. ১নং প্রশ্নৰ উত্তৰ ঃ হয়, ই বহু-বিভাগীয়।

ক. ২নং প্রশ্নৰ উত্তৰ ঃ আন্তঃযোগাযোগৰ জৰিয়তে।

খ. ১নং প্রশ্নৰ উত্তৰ ঃ মৌখিক আৰু লিখিত যোগাযোগ।



১১.১০ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন ঃ (১৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ যোগাযোগ বুলিলে কি বুজে?

প্রশ্ন ২ ঃ 'সংস্কৃতি' কি?

(খ) দীঘল প্রশ্ন ঃ (৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ 'মিশ্র-সাংস্কৃতিক যোগাযোগ'ৰ ওপৰত এটা টোকা লিখক।

প্রশ্ন ২ ঃ 'গাঁথনিগত সাংস্কৃতিক বৈশিষ্ট্য' বুলিলে কি বুজা? উদাহৰণসহ বুজাই লিখক।

*** ***** ***